গগৈৰ থোৰ মেলিবলৈ ধৰা সাহিত্য প্ৰতিভাৰ পৰিচয় পাব পাৰি।

'লৰাশিক্ষা আগছোৱা' ন শিকাৰুৰ বাবে যুগুতোৱা পুথি। তাত অসমীয়া স্বৰবৰ্ণ, ব্যঞ্জনবৰ্ণ, ই-কাৰ, আ-কাৰ, এ-কাৰ, উ-কাৰ আদিৰ পৰিচয় দান কৰা হৈছে। তাৰ লগতে কিছুমান আখৰ-জোঁটনিও সন্নিৱিষ্ট কৰা হৈছে। যিবোৰ পঢ়ি পঢ়োঁতাই বিমল আনন্দ পাব পাৰে। আৰু তাতেই প্ৰকাশিত হৈ উঠিছে পানীন্দ্ৰনাথ গগৈৰ সাহিত্য প্ৰতিভা। আখৰ-জোঁটনিবোৰ যথাযথ নহয়। পদ্যৰ ৰূপত গঢ় দি লেখকে বিমল ৰসৰ নিজৰা বোৱাবলৈ সক্ষম হৈছে। যেনে—

দুটা আখৰৰ জোঁটনি—

কাৰ কাপ গাৰ তাপ
মাঘ কাল বাঘ ছাল

তিনিটা আখৰৰ জোঁটনি—

আজলী বিজুলী বতৰ মুকলি
কেৰেলা কপাহী লেতেৰা মদাহী

চাৰিটা আখৰৰ জোঁটনি—

গগৈদেউ অসহনি গামখাৰু ওলগনি
ছনপৰা আহুতলি বাংকৰা বহুৱালি

পাঁচটা আখৰৰ জোঁটনি—

সৰবৰহী দেখনিয়াৰ
ভিতৰুৱাল খাটনিয়াৰ

এইবোৰৰ উপৰিও লৰাশিক্ষাৰ আগছোৱাত আৰু আঠটা পাঠ আছে। পদ্য আকৃতিৰ এই পাঠকেইটাৰ মাজত শিশুসকলক নানান উপদেশ প্ৰদান কৰা হৈছে। শিশুসকলে কি কৰিব লাগে, কি কৰিব নালাগে, কি খাব লাগে, কি খাব নালাগে ইত্যাদি নানান কথা এই আঠটা পদ্যৰ বিষয়বস্তু। যেনে—তৃতীয় পাঠটোৰ কথা উদাহৰণ হিচাপে ক'ব পাৰি—

"মাৰা বাপেৰাৰ কথা শুনিবা।
ভায়েৰা ভনীয়েৰাক মৰম কৰিবা
ভাল লগৰীয়াৰ লগত ফুৰিবা।
খোনা বা অকৰা মানুহক নিসিঞৰিবা।"

'লৰাশিক্ষাৰ মাজছোৱা' আৰম্ভ হৈছে সংযোগী আখৰৰ চানেকিৰে। কোনবোৰ আখৰ কাৰ লগত মিল হ'লে কি ৰূপ লয় তাক লেখকে উদাহৰণসহ দাঙি ধৰিছে। তাৰ লগতে সাতবাৰ, বাৰমাহ, পোন্ধৰ তিথি, দুই পক্ষ, দশ দিশ, ছয় ৰস, ছয় ঋতু আদিৰো পৰিচয় ৰখা হৈছে। 'লৰাশিক্ষা আগছোৱা'ৰ দৰে লৰাশিক্ষা মাজছোৱাতো 'হেমকণ্ঠৰ পিতৃভক্তি', 'লৰাৰ উৎসাহ' আৰু 'গৰু' নামেৰে তিনিটা পাঠ পোৱা যায়। প্ৰথম দুটা পাঠৰ মাজেদি লেখকে শিশুহঁতৰ মনত পিতৃ-মাতৃ তথা জ্যেষ্ঠজনৰ প্ৰতি শ্ৰদ্ধা ৰখাৰ বাবে আহ্বান জনাইছে। আনহাতে গৰু বিষয়ক চমু ৰচনাখনৰ মাজেদি গৰু নামৰ জন্তুবিধৰ পৰিচয়ৰে পৰা হিন্দু ধৰ্মত গৰু সম্পৰ্কে থকা বিশ্বাস টানি আনি ৰচনাখনৰ গভীৰতা বৃদ্ধি কৰিছে।

◆◆

***জীৱনৰ লেখ বয়সৰ জোখাৰে নহয়, কৰ্মৰে কৰা হয়। ২৯ বছৰীয়া জীৱনকালত পানীন্দ্ৰনাথ গগৈৰ যি অৱদান সি সংখ্যাৰ জোখেৰে হয়তো তেনেই কম। কিন্তু ঊনবিংশ শতিকাত নতুনকৈ জন্মলাভ কৰা শিশু সাহিত্যৰ ধাৰাটোক গতি প্ৰদান কৰাৰ ক্ষেত্ৰত আৰু তদানীন্তন অসমীয়া পাঠ্যপুথিৰ অভাৱ মোচন কৰাত তেখেতৰ অৱদান গুৰুত্বপূৰ্ণ হিচাপে নিশ্চয় বিবেচিত হৈছিল।***

◆◆◆

'লৰাশিক্ষা শেহছোৱা' আমাৰ শিশুহঁতলৈ কিছুমান সজ উপদেশৰ সমষ্টি। যি পথত থাকিলে আমাৰ শিশুহঁত এদিন ভাল মানুহ হিচাপে নিজকে প্ৰতিষ্ঠা কৰিব পাৰে, স্বভাৱ চৰিত্ৰ সজ আৰু নিকা হয়, স্বাস্থ্য নিৰোগী হয় তাৰ নানানটা বিধান আগবঢ়াইছে। উদাহৰণ হিচাপে ক'ব পাৰি ব্যায়াম সম্পৰ্কে কোৱা কথাখিনি—"আমাৰ গা শকত আৰু নিৰোগী কৰিবলৈ হাত ভৰি আদি অংগবিলাক চলাব লাগে, তাকে ব্যায়াম কৰা বোলে। ব্যায়াম ৰজা আৰু প্ৰজা, দুখী আৰু সুখী সকলোৰে কৰিবলগীয়া কাম। যিবিলাকে পোহপাল যাবৰ নিমিত্তে সদায় দুখবন কৰে, তেওঁবিলাকৰ নিমিত্তে সেয়া উত্তম ব্যায়াম। যিবিলাকৰ হাল কোৰ বোৱা আদি দুখৰ বন কৰিব নালাগে, তেওঁবিলাকে আন প্ৰকাৰে ব্যায়াম কৰা উচিত।"

উপৰিউক্ত তিনিখন পুথিৰ বাহিৰেও জোনাকী কাকতত পানীন্দ্ৰনাথ গগৈৰ তিনিখন ৰচনা প্ৰকাশ হৈছিল। সেয়া হ'ল—'জাতীয় প্ৰেম', 'আমাৰ উন্নতি নে অৱনতি' আৰু 'তেন্তেনো আমাৰ উপায় কি?' ৰচনাকেইখনৰ মাজত লেখকৰ জাতীয় প্ৰেম, দায়বদ্ধতা, কৰ্তব্যনিষ্ঠা আৰু সমাজ সচেতনতাৰ গভীৰ পৰিচয় পোৱা যায়। বিশেষকৈ তেখেতৰ জাতীয় প্ৰেম ৰচনাখন গভীৰ আৰু চিত্তাকৰ্ষক সৃষ্টি আছিল বুলি ক'ব পাৰি। ৰচনাখনৰ প্ৰথম শাৰীকেইটাৰ মাজেদিয়ে লেখকৰ সমস্ত আদৰ্শৰ ৰূপায়ণ ঘটিছে। যেনে—"জাতীয় প্ৰেম জাতীয় উন্নতিৰ মূল-ভিত্তি। অমুক জাতি উন্নত হৈছে বুলিলে বুজিব লাগিব, সিবিলাকৰ জাতীয় প্ৰেম আছে। সিবিলাকে স্বজাতিৰ অৰ্থে আত্মোৎসৰ্গ কৰিব জানে।"

পানীন্দ্ৰনাথ গগৈৰ নামত এটা কবিতাও পোৱা যায়। যিটো কবিতাৰ মাজতো লেখকৰ গভীৰ স্বদেশ প্ৰেমৰেই উন্মেষ ঘটিছে। কমলাকান্ত ভট্টাচাৰ্যৰ দৰে তেখেতেও শুই থকা অসমীয়া জাতিটোক নিদ্ৰা ত্যাগ কৰিবলৈ আহ্বান জনাইছিল। শুই থাকোঁতেই কেনেকৈ আমাৰ স্বাধীনতা, আমাৰ শিল্প, বাণিজ্য সকলো আনৰ হাতলৈ হস্তান্তৰ হ'ল তাক তেখেতে গভীৰ হুমুনিয়াহেৰে প্ৰকাশ কৰিছিল। যেনে—

"নাই স্বাধীনতা, নাই বীৰ্যবল;
নাই বেহা-কৃষি, নাই শিল্পকলা,
নাই বিদ্যাবুদ্ধি, ঐশ্বৰ্য-বিভূতি;
নাই আজি হেৰা একোৰে একোটি
চোৱা কঙালিনী জনমভূমি।
পিন্ধন বিদেশী, উৰণ বিদেশী।"

অসমীয়া সাহিত্যৰ বাবে অতি দুৰ্ভাগ্যজনক কথা যে পানীন্দ্ৰনাথ গগৈয়ে পূৰ্ণ জীৱন নাপালে। সম্পূৰ্ণ জীৱনছোৱা পোৱাহেঁতেন তেখেতেও গোহাঞিবৰুৱাৰ দৰেই নানাবিধ সৃষ্টিৰে অসমীয়া সাহিত্য মহিমামণ্ডিত কৰি তুলিলেহেঁতেন। কিন্তু তেখেতৰ সীমিত সংখ্যক অৱদানেই ঊনবিংশ শতিকাৰ সাহিত্যৰ দৈন্যৰ সময়ত মহামৃতৰ কাম কৰিবলৈ সক্ষম হৈছিল। তেনে এগৰাকী লেখকৰ পৰিচয় আমাৰ মাজৰ পৰা হেৰাই যাব খোজাটো অত্যন্ত পৰিতাপৰ কথা। পানীন্দ্ৰনাথ গগৈ আৰু তেখেতৰ সৃষ্টিৰাজিক প্ৰতিজন অসমীয়াই শ্ৰদ্ধাৰে সোঁৱৰাটো অতিকে প্ৰয়োজন।

ঠিকনা ঃ গাঁও ঃ সৰপাৰা, ডাক ঃ সৰপাৰা-৭৮১১২২, কামৰূপ, ফোন ঃ ৮৬৩৮৯০৪৩৮৯

## সম্পূৰ্ণ নাম-ঠিকনা দিব

আমি ইতিপূৰ্বে সঘনে অনুৰোধ কৰা সত্ত্বেও প্ৰান্তিকৰ বহুসংখ্যক লেখকে লেখাসমূহ আমালৈ পঠাওঁতে লেখাটোৰ লগত নিজৰ নাম-ঠিকনা সম্পূৰ্ণৰূপে নিদিয়ে। পঢ়িব পৰাকৈ স্পষ্ট আখৰেৰে, PIN CODEসহ সম্পূৰ্ণ নাম-ঠিকনা আৰু ফোন নম্বৰ নথকা লেখাসমূহ প্ৰকাশৰ বাবে বিবেচনা কৰাত আমাৰ অসুবিধা হয়। বিশেষকৈ অসম্পূৰ্ণ ঠিকনা দিয়াৰ বাবে বহুতো লেখকে আমি ডাকযোগে পঠোৱা তেখেতৰ লেখা প্ৰকাশ পোৱা প্ৰান্তিকৰ সংখ্যাটো নোপোৱাকৈ থাকে।

—**সম্পাদক**, প্ৰান্তিক